# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ সঞ্জীৱ খান্নাক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছে। অহা ১১ নৱেম্বৰৰ পৰা শ্ৰী খান্নাই উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

oooooooo

অসম চৰকাৰে অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে বিশেষকৈ ৰোহিংগীয়াসকলৰ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে বিগত দুমাহত ৰাজ্যখনত ১৩০ জনতকৈ অধিক অবৈধ অনুপ্ৰৱেশকাৰীক ধৰা পেলোৱা হৈছে। তদুপৰি ভাৰত-বাংলাদেশ সীমান্তৰ সমীপত ১২ খন নতুন থানা স্থাপন কৰি কেন্দ্ৰীয় সুৰক্ষা সংস্থাসমূহৰ সৈতে সমন্বয় সাধনৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

oooooooo

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লয়। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কাঠৰ পুতলা নিৰ্মাণ শিল্প প্ৰশিক্ষণৰ বাবে ৫০ দিনীয়া গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয় যে, বস্ত্ৰশিল্প মন্ত্ৰালয়ৰ অধীনত গ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীৰ অধীনত ৩০ গৰাকীকৈ স্থানীয় শিল্পীৰ দক্ষতা বিকাশ কৰি তেওঁলোকক শিল্পী কাৰ্ড প্ৰদান কৰা হ'ব। মন্ত্ৰী মাৰ্ঘেৰিটাই প্ৰশিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি কয় যে, অসমত ১২ লাখ ৮৩ হাজাৰ হস্ততাঁত বস্ত্ৰৰ শিপিনী আছে। এই সংখ্যা দেশৰ ভিতৰতে নহয় বিশ্বৰ ভিতৰতে সৰ্বাধিক বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, পৃথিৱীৰ মুঠ উৎপাদিত মুগাৰ ভিতৰত ৮৫ শতাংশ মুগা অসমে উৎপাদন কৰে। বিগত ৭-৮ বছৰত কেন্দ্ৰীয় চৰকাৰে অসমত ৰেচম শিল্প আৰু ইয়াৰ সৈতে জড়িত শিপিনী তথা খেতিয়কসকলৰ উন্নয়নৰ বাবে প্ৰকল্প গ্ৰহণ কৰি প্ৰায় ৩০০ কোটি টকা হিতাধিকাৰীক প্ৰদান কৰিছে।

উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি লোৱা হ'ব। আজিৰ পৰা ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, কেশৱ মহন্ত, উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ কামাখ্যা

প্ৰসাদ তাছাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ আগেয়ে মন্ত্ৰীগৰাকীয়ে যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

oooooooo

ভৱিষ্যৎ প্ৰজন্মৰ বাবে বহনক্ষম পানী যোগান ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আজি জলজীৱন মিছন অসমে দুখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৱাটাৰ এনভাইৰনমেণ্ট লেণ্ড এণ্ড লাইভলিহুড লেব আৰু টাটা ট্ৰাষ্টৰ চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুডৰ লগত আজি এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। ৰাজ্যখনত জলজীৱন মিছনৰ অধীনত ৰূপায়ণ কৰা নল যোগে পানী যোগান ব্যৱস্থাৰ পানীৰ মুখ্য উৎস ভূ-গৰ্ভৰ জল উৎসসমূহৰ সুৰক্ষা আৰু বহনক্ষমতা নিশ্চিত কৰাৰ উপৰি পাহাৰীয়া জিলাকেইখনৰ নিজৰাসমূহ সুৰক্ষিত আৰু পুনৰ্জিৱীত কৰাৰ লক্ষ্যৰে সময়োপযোগী কাৰ্যপ্ৰণালী প্ৰস্তুত কৰাটোৱে এই চুক্তিৰ মূল উদ্দেশ্য। উল্লেখযোগ্য যে অসমে ইতিমধ্যে ৰাজ্যখনত ৫৮ লাখ ৩৯ হাজাৰ ৯০৩টা অৰ্থা ৮১ শতাংশৰো অধিক গ্ৰাম্য পৰিয়াললৈ নলযোগে পানী যোগান ধৰিছে। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ ১০০ শতাংশ পৰিয়ালক এনেদৰে পানীযোগান ধৰাৰ বাবে অসম জলজীৱন মিছনে ভালেমান পদক্ষেপ লৈছে।

oooooooo

গোৱাৰ পানাজীত অহা ২০ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ভাৰতীয় পেনোৰামাত ২৫খন চলচ্চিত্ৰ আৰু ২০ খন অকাহিনী চিত্ৰ বা তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ৰণদ্বীপ হুদা পৰিচালিত **স্বতন্ত্ৰ্য বীৰ ছাভাৰকাৰ** নামৰ চলচ্চিত্ৰৰে ভাৰতীয় পেনোৰামা মুকলি কৰা হ'ব। তিনিখন অসমীয়া চলচ্চিত্ৰ আৰু এখন গাৰো ভাষাৰ চলচ্চিত্ৰয়ো ভাৰতীয় পেনোৰামাত স্থান লাভ কৰিছে। অসমীয়া চলচ্চিত্ৰৰ ভিতৰত যদুমণি দত্ত পৰিচালিত **জুইফুল**, ড০ ববী শৰ্মা বৰুৱাৰ **ৰ'দৰ পাখী**, ৰাজেশ ভূঞা পৰিচালিত স্বৰ্গৰথ আৰু এলাভিছা চাংমা তথা দিপাংকৰ দাস পৰিচালিত গাৰো ভাষাৰ চলচ্চিত্ৰ ছানছীছোৱায়ো পেনোৰামাত স্থান লাভ কৰিছে।

oooooooo

যোৱা ২২ অক্টোবৰৰ পৰা তিনিদিনীয়াকৈ গড়গাঁও মহাবিদ্যালয়ত আয়োজিত সদৌ অসম মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ আজি সামৰণি পৰে। আজি অন্তিম দিনৰ মুকলি সভাত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰি ভাষণ দিয়ে। নিজৰ ভাষণ মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই অনুষ্ঠানত বিধায়ক সুশান্ত বৰগোহাঁইৰ লগতে সদৌ অসম মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ বিষয়ববীয়াসকল উপস্থিত আছিল।

oooooooo

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত ডিফু আৱৰ্ত ভৱনত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জিলাখনৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী প্ৰশিক্ষণৰ প্ৰথম পৰ্যায়ৰ আজি সামৰণি পৰে। জিলা প্ৰশাসনৰ তৃতীয় বৰ্গৰ কৰ্মচাৰীৰ উপৰি জলসিঞ্চন, লোকনিৰ্মাণ, কৃষি, বন আৰু পৰিৱেশ, সমাজকল্যাণ বিভাগ ইত্যাদি তথা আৰক্ষী প্ৰশাসন আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ কৰ্মচাৰীক এই প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষাৰ্থীসকলক কাৰ্যালয় পৰিচালনা

প্ৰণালী, বিভিন্ন অধিনিয়ম অনুশাসন আৰু আবেদনৰ নিয়ম, সংৰক্ষণ, ৰুষ্টাৰ পদ্ধতি, ছুটীৰ নিয়মকে ধৰি বিভিন্ন নীতি সম্পৰ্কত প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৬ অক্টোবৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত জ্যেষ্ঠ মানসিক ৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি চিকিৎসকগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০

**সমাপ্ত**